**গ্ৰন্থ সমীক্ষা**

# ফৰিদা আহমেদৰ ‘উভতি যাবৰ মন’

## নগেন শইকীয়া




**কা**ব্য-সংকলনটিৰ নামটো অত্যন্ত অৰ্থব্যঞ্জক। আমি অকলে থাকিলে সৰহখিনি সময় অতীতৰ স্মৃতিৰ মাজত নাইবা ভৱিষ্যতৰ সম্ভাবনাৰ মাজত কটাওঁ। এৰি অহা সুখ আৰু দুখৰ সোঁৱৰণিও এককাৰ হৈ পৰে—একাকাৰ হৈ পৰে হেৰাই যোৱা অতীত বৰ্তমানৰ লগত আহি মিলি যাব খোজে। বৰ্তমানত থাকিও এৰি অহা দিনৰ সোঁৱৰণিৰ মাজতে কটাই আমি আত্মমগ্ন হওঁ। ড° ফৰিদা আহমেদক বিশ্ববিদ্যালয়ৰ অধ্যাপনা কৰাৰ সময়তে দেখিছিলোঁ আৰু বিষয় বেলেগ হ’লেও সতীৰ্থ হিচাপে পাইছিলোঁ। তেতিয়া অৱশ্যে জনা নাছিলোঁ যে তেখেতে কাব্যচৰ্চাও কৰে। ড° আহমেদৰ কবিতাত দুটা নতুনত্ব লক্ষ্য কৰিছোঁ—এটা স্বাভাৱিকভাৱেই এৰি অহা অতীত আৰু আনটো হ’ল কাব্যগাঁথনিৰ ৰীতিটো। সংকোচবিহীনভাৱে ব্যৱহাৰ কৰা কথা বা আলাপৰ ৰীতি কবিয়ে যেন নিজকে কওঁতা আৰু শুনোতা দুয়ো ৰূপক একেলগে বহুৱাই কৈছে—“সময়ৰ সৈতে ৰজিতা খুৱাই/জীৱন আগবাঢ়ে/শেষ হয় শৈশৱ, কৈশোৰ, যৌৱন।/ ভাব হৈছিল ময়েই আছিলোঁ মধ্যমণি/খেলাৰ লগৰী, প্ৰেমিকা,/পত্নী, মাতৃৰূপে সদা ব্যস্ত,/মই নহ’লে যেন সকলো স্তব্ধ।” অতিশয় সংক্ষেপে জীৱনৰ ছবি এখন—ব্যস্ততাৰ ছবি এখন সফলতাৰে দাঙি ধৰিছে প্ৰথম কবিতাটোতে। আন এটি কবিতাত ক’লে যে “মৌনতা মানে স্তব্ধতা

নহয়/মৌনতাই কথা কয় নীৰৱে/মৌনতাৰো আছে ভাষা/আছে আশা/কিজানিবা ব্যক্ত হয়/অকথিত ভাবধাৰা।” ‘সংগোপনে’ শীৰ্ষক কবিতাটিত কৈছে, “অশ্ৰুসিক্ত মোৰ দুচকু/শুনা নাই মোৰ উচুপনি/মই নিজে জ্বলিছোঁ, পুৰিছোঁ/দেখা নাই মোৰ বুকুত/একুৰা জুই।” এনেভাৱে মই প্ৰতিটো কবিতাৰ স্বাদ ল’লোঁ আৰু কবিক মনে মনে অভিবাদন জনালোঁ।

কবিতাৰ দৰাচলতে কোনো সংজ্ঞা নাই। কোনো সংজ্ঞাই হৃদয়ৰ অকৃত্ৰিম ভাবানুভৱক বান্ধি ৰাখিব নোৱাৰে। একো ৰসঃ কৰুণ এৱ। কৰুণ ৰসেই একমাত্ৰ ৰস। ধেমালি আমি পাহৰি যাওঁ, কিন্তু তাৰ লগত জড়িত বিচ্ছেদৰ চকুপানী চিৰদিনলৈ বৈ যায়। অথচ প্ৰত্যেক সংবেদনশীল মানুহৰ অতীতেই ঘৰ।

কাব্য-সংকলনটিৰ ‘আগকথা’ লিখিছে সুপ্ৰতিষ্ঠিত সাহিত্য-সমালোচক ড° আনন্দ বৰমুদৈয়ে। বৰমুদৈয়ে প্ৰথম কবিতাটিৰ বিষয়ে কৈছে, “আহৰণ কৰা নতুন পৰিচয়ে যদি মানুহৰ কাৰণে সংকট সৃষ্টি কৰে আৰু সেই পৰিচয় ভাল নলগা হয়, তেওঁ পূৰ্বৰ পৰিচয়লৈ ঘূৰি যাব বিচাৰে।” অৱশ্যে এনে প্ৰত্যাৱৰ্তন মানসিকভাৱেই ঘটে। কাব্যগাঁথনিৰ ক্ষেত্ৰত তেখেতৰ অভিমত হ’ল যে “কবিগৰাকীয়ে শ্ৰেষ্ঠ শব্দক শ্ৰেষ্ঠ ক্ৰম এটাত সজাবলৈ চেষ্টা কৰিছে।” ইংৰাজীত এগৰাকী সমালোচকে কবিতাক Best words in the best order বুলি কৈছে।

মই ড° ফৰিদা আহমেদৰ মাজত এগৰাকী নতুন কবিক আৱিষ্কাৰ কৰিবলৈ পাই আনন্দ অনুভৱ কৰিছোঁ। হয়তো তেখেতে পূৰ্বৰেপৰা কাব্যচৰ্চা কৰি আহিব পাৰে। তথাপি এইখনি গ্ৰন্থই তেখেতৰ প্ৰথম কাব্যগ্ৰন্থ। ড° ফৰিদা আহমেদৰ হাতৰ কাপ সক্ৰিয় হৈ থাকক এই বাঞ্ছাৰে মোৰ অভিনন্দন জনালোঁ।